# এটা পৰিয়ালে তেওঁলোকৰ ঘৰত যীচুৰ উপাসনা কৰিছিল

ল'ৰা-ছোৱালীয়ে শিকিবলগীয়া কাৰ্য্যাৱলীৰ যিকোনো এটা বাচি লওক।

**প্ৰাৰ্থনা ঃ** "প্ৰিয় প্ৰভু, বিশ্বাসীসকলে তেওঁলোকৰ ঘৰত লোকবিলাকক গোটোৱাত সহায় কৰক, তেওঁলোকক যীচুৰ কথা ক'বলৈ আৰু তেওঁৰ আৰাধনা কৰিবলৈ কওক।

কোনো এটা ল'ৰা/ছোৱালী অথবা শিক্ষকে পাঁচনিৰ কৰ্ম্ম ১৬ঃ২২-৩৬ পঢ়ক অথবা ফিলিপীয়াৰ দাৰোগাৰ কাহিনীটো কওক। ই প্ৰমাণ কৰে যে কেনেকৈ এটি পৰিয়ালে তেওঁলোকৰ ঘৰত ঈশ্বৰৰ আৰাধনা কৰিছিল।



কাহিনীটো কোৱা পাছত তলত দিয়া প্ৰশ্নবোৰ কৰক। *(প্ৰত্যেক প্ৰশ্নৰ পিছতে উত্তৰ দিয়া আছে।)*

- পৌল আৰু চীলক বিচাৰকৰ্ত্তাসকলে কেনে ব্যৱহাৰ কৰিছিল? *(২৩-২৪ পদ)*
- বন্দীশালত ৰাতি পৌল আৰু চীলে কি কৰিছিল? *(২৫ পদ)*
- ফাটেকৰ দাৰোগাই কিয় আপোনঘাতী হ'বলৈ ইচ্ছা কৰিছিল? *(২৬-২৭ পদ)*
- দাৰোগাই নিজৰ আৰু তেওঁৰ পৰিয়ালৰ লোকৰ নিমিত্তে পৰিত্ৰাণ কেনেকৈ পাইছিল? *(৩১ পদ)*
- ৰাতিৰ কোন পৰত দাৰোগা আৰু তেওঁৰ পৰিয়াল বাপ্তাইজিত হৈছিল? *(২৫, ৩২-৩৪ পদ)*

ফাটেকৰ দাৰোগা আৰু তেওঁৰ পৰিয়ালৰ কাহিনীটোৰ কিছু অংশ নাটক কৰি দেখুৱাওক।

- ল'ৰা-ছোৱালীয়ে এই চুটী নাটকখন পৰিবেশন কৰিবলৈ প্ৰধান উপাসনা চলাওঁতাৰ লগত যোগাযোগ কৰক।
- নাটক প্ৰস্তুত কৰোঁতে ল'ৰা-ছোৱালীৰ লগত আপোনাৰ সময় দিয়ক। আপুনি নাটকৰ গোটেই অংশ নকৰিলেও হ'ব।
- নাটক প্ৰস্তুত কৰোতে ডাঙৰ ল'ৰা-ছোৱালীয়ে সৰুবোৰক সহায় কৰক।
- ডাঙৰ ল'ৰা-ছোৱালী অথবা বয়সীয়া সকলক তলত দিয়া ভাওকেইটা দিয়ক ঃ

  **পৌল**

  **দাৰোগা ঃ** দুডাল শিকলি বুজাবলৈ ৰছি আৰু তৰোৱাল বুজাবলৈ কিবা এটা বিচাৰি লওক।

  **বৰ্ণনাকাৰী ঃ** গল্পটো সংক্ষেপে কওক। টেবুলৰ এটা কোণত শিলৰ দ'ম অথবা কিতাপবোৰ যুগুত কৰক।

- সৰু ল'ৰা-ছোৱালীক চীল, বিচাৰকৰ্ত্তা, বন্দীয়াৰ আৰু দাৰোগাৰ পৰিয়ালৰ ভাওবোৰ দিয়ক।

**বৰ্ণনাকাৰী ঃ** পাঁচনিৰ কৰ্ম্ম ১৬ঃ২২-২৮ পদৰ পৰা গল্পটোৰ ১ম ভাগ কওক। এতিয়া কওক, "বিচাৰকৰ্ত্তাই কি কয় শুনক।"

**বিচাৰকৰ্ত্তা ঃ** "দাৰোগা! পৌল আৰু চীলক বন্দীশালত থওক। সিহঁতক কোবাওক আৰু অতি সৰধানে পৰ দি থাকক।

**দাৰোগা ঃ** সিহঁতৰ ভৰিৰ গাঁথিবোৰ শিকলিৰে মেৰিয়াই (গাঁথি নামাৰিব) থওক। আৰু কওক, "মই তোমালোকক একেবাৰে ভিতৰ কোঠালিত শিকলি লগাই থম আৰু মোৰ জীৱন দি সিহঁতক পৰ দিম।"

**পৌল আৰু চীল ঃ** এখন টেবুলৰ তলত বহি গীত গাই থাকে।

**বন্দীশালৰ দাৰোগা ঃ** "ভূমিকম্প!" (টেবুলখন লৰাব যাতে যেন শিলবোৰ অথবা কিতাপবোৰ তলত পৰি যায়।

**পৌল ও চীল ঃ** শিকলি গুচাই থিয় দিয়ে।

**বন্দীয়াৰ সকল ঃ** "আমি মুক্ত! দুৱাৰবোৰ মুকলি।"

**বন্দীশালৰ দাৰোগা ঃ** নিজৰ তৰোৱাল দাঙি কয়, "অহ! বন্দীবিলাক মুকলি হ'ল। মই নিজকে মাৰি পেলোৱা উচিত।"

**পৌল ঃ** চিঞৰে, "নহয় মহাশয়! আপুনি নিজকে নামাৰিব। আমি আটাইবোৰ ইয়াতে আছোঁ।"

**বৰ্ণনাকাৰী ঃ** পাঁচনিৰ কৰ্ম্ম ১৬ঃ২৯-৩৩ পদৰ পৰা গল্পটোৰ ২য় ভাগ কওক। এতিয়া কওঁক, "দাৰোগাই কি কৈছে শুনক।"

**বন্দীশালৰ দাৰোগা ঃ** "এটা চাকি আনা! মই পৌল আৰু চীলক চাব খোজোঁ। এতিয়া পৌল ও চীলৰ আগত আঠু লৈ সোধে, "ৰক্ষা পাবলৈ মই কি কৰা উচিত।"

**পৌল ঃ** "প্ৰভু যীচু খ্ৰীষ্টত বিশ্বাস কৰা আৰু তুমি আৰু তোমাৰ পৰিয়ালে ৰক্ষা পাবা।"

**দাৰোগাৰ পৰিয়াল ঃ** "আমিও যীচুত বিশ্বাস কৰিব খোজোঁ।"

**দাৰোগা ঃ** "মই আনন্দেৰে পৰিপূৰ্ণ হৈছোঁ কাৰণ মোৰ আটাই পৰিয়ালে বিশ্বাস কৰিলে আৰু বাপ্তাইজিত হৈছে। আহক, আমাৰ ঘৰত আহাৰ কৰকহি।"

**বিচাৰক ঃ** টেবুলৰ ওপৰত টুকুৰিয়াই কয়, "দাৰোগা, সুপ্ৰভাত। পৌল আৰু চীলক আপুনি এতিয়া মুকলি কৰি যাবলৈ দিব পাৰে।"


**দাৰোগা ঃ** "ভাই সকল, যীচুৰ শুভবাৰ্ত্তা মোৰ পৰিয়াললৈ অনা বাবে আপোনাক ধন্যবাদ। শান্তিৰে যাওক।"

**বৰ্ণনাকাৰী বা ডাঙৰ ল'ৰা ঃ** নাটখনৰ শেষত সহায় কৰা আটাইকে ধন্যবাদ দিয়ক।

**প্ৰশ্নবোৰ ঃ** যদিহে ল'ৰা-ছোৱালীয়ে বয়সীয়া সকলৰ বাবে নাটখন কৰিছে, তেন্তে আপুনি আগেয়ে দিয়া উত্তৰবোৰৰ প্ৰশ্ন বয়সীয়া সকলকো সুধিবলৈ দিয়ক।

**ল'ৰা-ছোৱালীক সোধক ঃ** উদাহৰণৰ বাটবোৰ কি কি যে আমি আমাৰ ঘৰবোৰত ঈশ্বৰৰ উপাসনা আৰু পৰিচৰ্য্যা কৰিব পাৰোঁ।?

আপোনাৰ চহৰত থকা ঘৰৰ নমুনাৰ এটি সাধাৰণ ছবি আঁকক। ল'ৰা-ছোৱালীক তাৰে নকল কৰিবলৈ দি উপাসনাৰ সময়ত বয়সীয়া সকলক দেখুৱাবলৈ দিয়ক আৰু বৰ্ণনা কৰক যে আমি ঘৰত অথবা যিকোনো ঠাইতে ঈশ্বৰৰ উপাসনা কৰিব পাৰোঁ।



**মুখস্থ কৰক ঃ যোহন ৪ঃ২৪।**

**পদ্য ঃ** তিনিটা ল'ৰা-ছোৱালীক প্ৰত্যেককে দুটাকৈ পদ গীতমালা ১৩৬ঃ১-৬ আওঁৰাবলৈ দিয়ক। "তেওঁৰ দয়া চিৰকাললৈকে থাকে", এই বাক্যটি গোটেই দলটোকে দোহাৰিবলৈ দিয়ক।"

ঘৰত উপাসনাৰ নিমিত্তে গোট খোৱাৰ বিষয়ে ডাঙৰ ল'ৰা-ছোৱালীক পদ্য অথবা গীত লিখিবলৈ দিয়ক।

**প্ৰৰ্থনা ঃ** "প্ৰিয় প্ৰভু, আমি যিকোনো ঠাইতে, যিকোনো সময়ত আপোনাৰ উপাসনা যে কৰিব পাৰোঁ, তাৰ বাবে ধন্যবাদ। আমি সৰু গোট হ'লেও একো নহয়। আপোনাক ধন্যবাদ যে আপুনি আমাৰ পৰিয়ালৰ আটাইকে আপোনালৈ আনিলে। আমাৰ সমস্ত অন্তৰৰে আপোনাৰ আৰাধনা কৰিবলৈ সহায় কৰক।

*যদি আপুনি ল'ৰা ছোৱালীক শিক্ষা দিছে আৰু পৌল-তীমথিয় অধ্যয়নত*
*ল'ৰা-ছোৱালীৰ শিক্ষকৰ কাৰণে দিয়া নিয়মাৱলী এতিয়াও পঢ়া নাই,*
*তেন্তে Aob, অনুগ্ৰহ কৰি এতিয়াই পঢ়ক।*

Copyright 2004 © by Paul-Timothy. May be freely copied.
Download from www.Paul-Timothy.net